# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 29-01-2025
**Time :** 0900 Hrs

# *Assamese Morning Bulletin*
## *HEADLINES*

**- - - - - - - - - - - - - -**

১। চলিত বছৰৰ ৩০ ছেপ্তেম্বৰৰ ভিতৰত বি টি চিৰ নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২। ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৰ শ্ৰীহৰিকোটাৰ পৰা এন ভি এছ্-০২ নামৰ কৃত্ৰিম উপগ্ৰহ সফলতাৰে উৎক্ষেপন।

৩। গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ গৱেষণাত, জীৱিত কোষ আৰু পৰিৱেশত থকা ক্ষতিকাৰক ধাতু চিনাক্তকৰণৰ অভিনৱ পদ্ধতি উদ্ভাৱন।

৪। উত্তৰাখণ্ডৰ ডেৰাডুনত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া উদ্বোধন কৰি এই ক্ৰীড়াক সেউজ ক্ৰীড়া হিচাপে গঢ়ি তোলা হ'ব বুলি প্ৰধানমন্ত্ৰীৰ প্ৰকাশ।

*আৰু*

৫। আজিৰেপৰা ৰাজ্যৰ বিভিন্ন জিলাত লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতা।

ooooo

চলিত বছৰৰ ৩০ ছেপ্তেম্বৰৰ ভিতৰত বি টি চিৰ নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। কালি কোকৰাঝাৰত বি টি আৰ চুক্তিৰ পঞ্চম বৰ্ষপূৰ্তি উপলক্ষে আয়োজিত অনুষ্ঠানত অংশ লোৱাৰ পাছত সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে অহা ৩০ ছেপ্তেম্বৰৰ পূৰ্বে অৰ্থাৎ শাৰদীয় দুৰ্গা পূজাৰ আগেয়ে বি টি চি নিৰ্বাচনৰ কাম-কাজসমূহ সম্পন্ন হ'ব। ২০২৬ চনত অসম বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ছেপ্তেম্বৰৰ ভিতৰতেই এই নিৰ্বাচন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হৈছে বুলি তেওঁ উল্লেখ কৰে। অৱশ্যে এই নিৰ্বাচনত বিজেপিৰ ইউ পি পি এলৰ সৈতে মিত্ৰতা অব্যাহত থাকিব নে নাই সেই সন্দৰ্ভত ইউ পি পি এলৰ সভাপতি প্ৰমোদ বড়ো আৰু বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই সিদ্ধান্ত গ্ৰহণ কৰিব বুলি তেওঁ উল্লেখ কৰে।

ooooo

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৱে আজি পুৱা অন্ধ্ৰ প্ৰদেশৰ শ্ৰীহৰিকোটাৰ পৰা এন ভি এছ্-০২ নামৰ নতুন প্ৰযুক্তিচালিত কৃত্ৰিম উপগ্ৰহটো সফলতাৰে উৎক্ষেপন কৰে। আজি পুৱা ৬ বাজি ২৩ মিনিটত সতীশ ধাৱান মহাকাশ কেন্দ্ৰৰ পৰা জি এছ এল ভি এফ-15 নামৰ মহাকাশ যানেৰে উপগ্ৰহটো উৎক্ষেপন কৰা হয়। এই উৎক্ষেপনৰ দ্বাৰা ইছৰোৱে সতীশ ধাৱান মহাকাশ কেন্দ্ৰৰ পৰা ১০০ সংখ্যক উৎক্ষেপনৰ গৌৰৱ অৰ্জন কৰিলে।

০০০০০

গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ গৱেষকৰ এটা দলে জীৱিত কোষ আৰু পৰিৱেশত থকা ক্ষতিকাৰক ধাতুসমূহ চিনাক্তকৰণৰ এটা অভিনৱ পদ্ধতি উদ্ভাৱন কৰিছে। পদাৰ্থ বিজ্ঞানৰ গৱেষক-অধ্যাপক সৈকত ভৌমিকৰ নেতৃত্বত মানৱ কোষত থকা পাৰাৰ দৰে বিষাক্ত ধাতু চিনাক্তকৰণৰ লগতে জৈৱিক ব্যৱস্থাত ধাতুজনিত বিষক্ৰিয়া ধৰা পেলোৱা সন্দৰ্ভত গৱেষণা কৰা হয়। মানুহৰ চুলিতকৈ প্ৰায় ১ লাখ গুণ সৰু নেন'স্ফটিকৰ সৈতে ধাতুৰ  বিক্ৰিয়াৰ বিষয়ে কৰা গৱেষণাত ধাতুসমূহে জীৱিত মানৱ কোষত দূষিত খাদ্য, পানী বা শ্বাস-প্ৰশ্বাসৰ জৰিয়তে ঘটিব পৰা সংস্পৰ্শৰ ফলত হ'ব পৰা বিষক্ৰিয়াৰ সমাধান লাভ কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি উত্তৰাখণ্ডৰ ডেৰাডুনৰ মহাৰাণা প্ৰতাপ ষ্টেডিয়ামত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া উদ্বোধন কৰে। কালি উদ্বোধনী অনুষ্ঠানত দেশৰ বিভিন্ন প্ৰান্তৰ ক্ৰীড়াবিদসকলে অংশ লয়। অলিম্পিক পদক বিজয়ী বেডমিণ্টন খেলুৱৈ লক্ষ্য সেনে কালি এই ক্ৰীড়া মহোৎসৱৰ শিখা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অৰ্পণ কৰে। কালি মহোৎসৱ উদ্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে এইবাৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়া সেউজ ক্ৰীড়া মহোৎসৱ হিচাপে গঢ়ি তোলাৰ বিষয়ে উল্লেখ কৰে। তদুপৰি দেশৰ পৰম্পৰাগত ক্ৰীড়াসমূহকো ইয়াৰ দ্বাৰা সামৰি লোৱা হৈছে বুলি তেওঁ মন্তব্য কৰিছে। ভাৰত বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতি হিচাপে পৰিগণিত হোৱাৰ লক্ষ্যৰে আগবঢ়াৰ দিশত দেশখনৰ উন্নয়নৰ যাত্ৰাত ক্ৰীড়াই উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছে বুলি তেওঁ মন্তব্য কৰে। উল্লেখযোগ্য যে উত্তৰাখণ্ডৰ ৮খন জিলাৰ ১১খন চহৰত ১৪ ফেব্ৰুৱাৰীলৈকে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ খেলসমূহ খেলোৱা হ'ব। প্ৰতিযোগিতাত ৩৫বিধ খেলৰ মুঠ ৪৭টা ইভেণ্ট থাকিব। কালিৰ উদ্বোধনী অনুষ্ঠানত ৰাজ্যৰ দুগৰাকী তাৰকা আন্তৰ্জাতিক ক্ৰীড়াবিদ শ্বাটলাৰ অস্মিতা চলিহা আৰু উশ্বু খেলুৱৈ চানমা ব্ৰহ্মই অসম দলৰ ধ্বজা বহন কৰে। এইবাৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমে ২২বিধ খেলত অংশ লোৱাৰ কথা। ৰাষ্ট্ৰীয় ক্ৰীড়াত অসম দলৰ খেল সম্পৰ্কত এয়া ক্ৰীড়া সাংবাদিক কুল প্ৰদীপ ভাগৱতী -

ঃবাইটঃ

০০০০০

ডিমা হাচাও জিলাৰ উমৰাংছ'ৰ কয়লাখনিত কেইবাজনো শ্ৰমিকৰ মৃত্যু হোৱাৰ ঘটনাক লৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে এটা নিজাববীয়া ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ ৰুজু কৰিছে। এই গোচৰটোৰ ভিত্তিত কালি শুনানি লৈ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণই আৰু ন্যায়াধীশ কৌশিক গোস্বামীৰ খণ্ড বিচাৰপীঠে ৰাজ্যত এন্দুৰৰ গাঁত সদৃশ খনন বন্ধ কৰাৰ বাবে কি পদক্ষেপ গ্ৰহণ কৰিছে, সেই সন্দৰ্ভত ৰাজ্য চৰকাৰক প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। শুনানি কালত মহাধিবক্তা দেৱজিৎ শইকীয়াই উমৰাংছ'ৰ কয়লাখনিত সংঘটিত ঘটনাৰ তদন্তৰ বাবে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ অনিমা হাজৰিকাৰ নেতৃত্বত এজনীয়া আয়োগ গঠনকে ধৰি চৰকাৰে গ্ৰহণ কৰা অন্যান্য পদক্ষেপসমূহ ন্যায়ালয়ক অৱগত কৰে। ইয়াৰ পাছতে ন্যায়ালয়ত অহা ৭ ফেব্ৰুৱাৰীত গোচৰটোৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰে। সেইদিনা চৰকাৰে এনেধৰণৰ খনন বন্ধ কৰাৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাসমূহ সন্দৰ্ভত ন্যায়ালয়ত প্ৰতিবেদন দাখিল কৰিব লাগিব।

০০০০০

অসম সাহিত্য সভাই ৰাজ্যৰ ভাষা-সাহিত্য-সংস্কৃতি তথা জাতীয় জীৱনলৈ আগবঢ়োৱা অৱদানৰ বাবে সদস্য মহিয়ান, সাহিত্যচাৰ্য আৰু জাতীয় কবি সন্মান প্ৰাপকৰ নাম ঘোষণা কৰিছে।  অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ডঃ উপেন্দ্ৰনাথ শৰ্মাই প্ৰাচ্যতত্ত্ববিদ বিশিষ্ট সাহিত্যিক, অধ্যাপক থানেশ্বৰ শৰ্মা আৰু মহেশ্বৰ

হাজৰিকালৈ সদস্য মহিয়ান সন্মান আগবঢ়োৱা হৈছে বুলি অৱগত কৰে। একেদৰে গৱেষক, সাহিত্যিক, অধ্যাপক আনন্দ বৰমুদৈ, বিশিষ্ট সাহিত্যিক, অধ্যাপক ইদ্রিছ আলী, বিশিষ্ট ভাষাবিদ, অধ্যাপক ভীমকান্ত বৰুৱা আৰু গৱেষক সাহিত্যিক, অধ্যাপক কৰবী ডেকা হাজৰিকাক সাহিত্যচাৰ্য সন্মান প্ৰদান কৰা হ'ব বুলি ড° শৰ্মাই জানিবলৈ দিয়ে। কাইলৈ অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয়ত হ'বলগীয়া সমাৰ্বতন, ২০২৫ অনুষ্ঠানত এই সন্মানসমূহ আগবঢ়োৱা হ'ব। এই অনুষ্ঠানতে বিশিষ্ট কবি সাহিত্যিক আনিছ উজ জামানক জাতীয় কবিৰ সন্মান প্ৰদান কৰা হ'ব।

০০০০০০০

গুৱাহাটী ৰে'ল সুৰক্ষা বাহিনীয়ে যোৱা বছৰটোত অভিযান চলাই ৫২টি শিশুক সৰবৰাহকাৰীৰ কবলৰ পৰা ৰক্ষা কৰাৰ উপৰি তেওঁলোকক অভিভাৱক নাইবা স্বেচ্ছাসেৱী সংস্থাক গতাই দিছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ সূত্ৰই এই বিষয়ে প্ৰকাশ কৰে। যোৱা বছৰটোত বাহিনীটোৱে আঢ়ৈ কোটি টকাৰো অধিক মূল্যৰ মাদক দ্ৰব্য ৰেল ষ্টেচন পৰিসৰ আৰু ৰে'লৰ পৰা উদ্ধাৰ কৰাৰ লগতে মাদক দ্ৰব্য সৰবৰাহৰ অভিযোগত ২৪ জন লোকক গ্ৰেপ্তাৰ কৰে। বিগত বছৰটোত বাহিনীটোৱে ৰে'ল যাত্ৰীৰ সা-সামগ্ৰী চুৰি সন্দৰ্ভত ৰুজু কৰা ৭৩টা গোচৰৰ অনুসন্ধান চলাই ১২ লাখ ৪৭ হাজাৰ টকা মূল্যৰ সামগ্ৰী উদ্ধাৰ কৰা হৈছে বুলিও সূত্ৰটোৱে প্ৰকাশ কৰিছে। এই সংক্ৰান্তত মুঠ ৭৭জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০০

অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম পাঠশালা অধিৱেশনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। বজালী জিলাৰ সদৰ চহৰখনৰ ভট্টদেৱ ক্ষেত্ৰত পৰহিলৈৰ পৰা অনুষ্ঠিত হ'বলগীয়া অধিৱেশনৰ প্ৰস্তুতি যুদ্ধকালীনভাৱে চলিছে বুলি আদৰণি সমিতিৰ সভাপতি মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে জানিবলৈ দিয়ে। মন্ত্ৰীগৰাকীয়ে বৰাক উপত্যকাৰ পৰাও অসম সাহিত্য সভাৰ অধিৱেশনলৈ বিশেষ সাহায্য প্ৰদান কৰা হৈছে বুলি অৱগত কৰে। সাহিত্য সভাৰ অধিৱেশনৰ প্ৰস্তুতি সন্দৰ্ভত এয়া আমাৰ বাক্সা জিলাৰ সংবাদদাতা দামোদৰ তালুকদাৰ –

-বাইট-

০০০০০০০

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা দেশৰ অন্যতম ধৰ্মীয় মহোৎসৱ মহাকুম্ভ মেলালৈ কাইলৈ সত্ৰাধিকাৰ ড০ পিতাম্বৰ দেৱগোস্বামীৰ নেতৃত্বত মাজুলীৰ আউনীআটী সত্ৰৰ এটা ৪০জনীয়া বৈষ্ণৱ শিল্পীৰ দল ৰাওনা হ'ব। দলটোৱে কুম্ভমেলাত মাজুলী সত্ৰীয়া পৰিবেশ আৰু সত্ৰিয়া সংস্কৃতি প্ৰদৰ্শন কৰিব। তেওঁলোকে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমৰ সৃষ্টি ৰামবিজয় নাট পৰিবেশন কৰিব। ইয়াৰ লগতে আউনীআটী সত্ৰৰ অপ্সৰা নৃত্য, ভাগৱত ব্যাখ্যা আৰু হীৰা নামো দলটোৱে পৰিবেশন কৰিব বুলি প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে ১৩ জানুৱাৰীৰ পৰা অনুষ্ঠিত এই মহোৎসৱত ইতিপূৰ্বেও অসম আৰু উত্তেৰ পূৰ্বাঞ্চলৰ ভালেসংখ্যক ধৰ্মগুৰু তথা পুৰোহিতে অংশগ্ৰহণ কৰিছে। অসমৰ পৰা ইয়াৰ আগেয়ে ১২৮গৰাকী বৈষ্ণৱ মহাকুম্ভলৈ গৈছে। গংগা, যমুনা ৰু সৰস্বতী নদীৰ ত্ৰিবেণী সংগমস্থলীত আয়োজিত এই মহাকুম্ভ মেলাত গুৰুজনাৰ অমৰ সৃষ্টি নামঘৰ প্ৰতিষ্ঠা কৰাৰ লগতে হৰিনামৰ ধ্বনিৰে অঞ্চলটো মুখৰ হৈ উঠিছে। মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীৰ নেতৃত্বত সত্ৰখনৰ পৰা যোৱা পাঁচগৰাকী বৈষ্ণৱে ১৬ দিনত নিৰ্মাণ কৰি উলিওৱা নামঘৰত ২১ জানুৱাৰীত আৰম্ভ হোৱা ভাগৱত পাঠৰ কালি সামৰণি পৰে।

০০০০০

শিৱসাগৰ জিলাত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সভাৰ কালি সামৰণি পৰে। অন্তিম দিনৰ কাৰ্যসূচীত তলাতল ঘৰৰ বাকৰিৰ পৰা এটা সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। লোক সংস্কৃতিৰ সাধক তথা শিক্ষাবিদ ডঃ অনিল শইকীয়াই উদ্বোধন কৰা অসমৰ বাৰেৰহনীয়া সংস্কৃতিক প্ৰতিফলিত কৰা এই শোভাযাত্ৰাত আছুৰ মুখ্য উপদেষ্টা সমুজ্জ্বল ভট্টাচাৰ্য আৰু সভাপতি উৎপল শৰ্মাকে ধৰি বিভিন্ন জিলাৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। শোভাযাত্ৰাত অসমৰ উপৰি মণিপুৰ, নাগালেণ্ড আৰু উত্তৰ-পূবৰ অন্যান্য ৰাজ্যসমূহৰ সংস্কৃতিকো উপস্থাপন কৰা হয়। আহোম যুগৰ ঐতিহাসিক মুহূৰ্তসমূহৰ লগতে জয়মতী আৰু চ্যুকাফাৰ প্ৰতীকি উপস্থাপনে জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰা এই শোভাযাত্ৰাৰ বৰ্ডিং খেলপথাৰত সামৰণি পৰে। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত ছাত্ৰ সন্থাৰ সদস্যসকলে পথৰুঘাটৰ কৃষক বিদ্ৰোহত প্ৰাণ আহুতি কৃষক ছহিদসকলক সুঁৱৰি ছহিদ বেদীত বন্তি প্ৰজ্বলন কৰে। অনুষ্ঠানত সন্থাৰ সাধাৰণ সভা উপলক্ষে প্ৰকাশিত তিনিখন স্মৃতি গ্ৰন্থ উন্মোচন কৰা হয়। ডঃ জ্যোতিপ্ৰসাদ শইকীয়া, ডঃ সৌমাৰজ্যোতি মহন্ত আৰু ডঃ সব্যসাচী মহন্তই অংশগ্ৰহণ কৰা  মুকলি সভাখনত আছুৰ মুখ্য উপদেষ্টা আৰু সভাপতিৰ উপৰি নৱ-নিৰ্বাচিত সাধাৰণ সম্পাদক সমীৰণ ফুকন উপস্থিত থাকে।

ooooo

বড়ো শান্তি চুক্তিৰ পঞ্চম বাৰ্ষিকী উপলক্ষে কালি কোকৰাঝাৰত আয়োজিত বিশেষ অনুষ্ঠানৰ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহে প্ৰথম পৃষ্ঠাত সবিস্তাৰে প্ৰকাশ কৰিছে। অনুষ্ঠানত উপস্থিত থাকি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বি টি আৰত এতিয়া বন্দুকৰ পৰিৱৰ্তে কলম আৰু জ্ঞানৰ আন্দোলন হৈছে বুলি কৰা মন্তব্যক কাকত সমূহে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

অসম সাহিত্য সভাই ৰাজ্যৰ ভাষা-সাহিত্য-সংস্কৃতি তথা  জাতীয় জীৱনলৈ আগবঢ়োৱা অৱদানৰ বাবে সদস্য মহীয়ান, সাহিত্যাচাৰ্য আৰু জাতীয় কবিৰ উপাধি প্ৰাপকৰ নাম ঘোষণা কৰাৰ বাতৰিটো দৈনিক অসম কাকতে অন্যতম মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

বিভিন্ন নিষেধাজ্ঞাৰ পাছতো ৰাজ্যত অবৈধ কয়লা খনন অব্যাহত থকাৰ এটা গুৰুত্বপূৰ্ণ বাতৰিক দৈনিক অগ্ৰদূত কাকতে শিৰোনামৰ বাতৰি হিচাপে প্ৰকাশ কৰিছে।

সদৌ অসম গাহৰি পালক সন্থাই ৰাজ্যৰ গাহৰি মাংসৰ বজাৰখন থাইলেণ্ডৰ বহুজাতিক কোম্পানীক গতাই দিবলৈ চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তৰ বিৰোধিতা কৰাৰ এটা বাতৰি অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

২০৩৬ চনত ভাৰত অলিম্পিক আয়োজন কৰিবলৈ সমৰ্থ হ'ব বুলি ডেৰাডুনত ৰাষ্ট্ৰীয় ক্ৰীড়া উদ্বোধন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দৃঢ় আশা ব্যক্ত কৰাৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দৈনিক জনমভূমি কাকতখনে, চলিত বৰ্ষত ৰাজ্যত পুনৰ ৪০ৰ পৰা ৫০ হাজাৰ নতুন নিযুক্তি প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰাৰ বাতৰিটো অন্যতম মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ডিমা হাছাও জিলাৰ উমৰাংছ'ৰ কয়লা খনিত কেইবাজনো শ্ৰমিকৰ মৃত্যু হোৱাৰ ঘটনা সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ে নিজাববীয়াকৈ এটা ৰাজহুৱা স্বাৰ্থজড়িত গোচৰ ৰুজু কৰিছে। এই বাতৰিটো নিয়মীয়া বাৰ্তা কাকতখনে প্ৰথম পৃষ্ঠাত সবিস্তাৰে প্ৰকাশ কৰিছে।

গুৱাহাটীত কালি এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ ভূমিপূজন কাৰ্যসূচী অনুষ্ঠিত হোৱাৰ বাতৰিটো দ্য ছেণ্টিনেল কাকতখনে Bhumi pujan for Advantage Assam performed - Summit will have five partner countries শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন কাকতখনে অহা ৩১ জানুৱাৰীৰ পৰা অনুষ্ঠিত হ'বলগীয়া সংসদৰ বাজেট অধিবেশনৰ সবিশেষ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০

গুৱাহাটী ক্ৰীড়া সন্থা আৰু ক্ৰীড়া সঞ্চালকালয়ৰ উদ্যোগত লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাখন আজিৰেপৰা ৰাজ্যৰ বিভিন্ন জিলাসমূহত অনুষ্ঠিত হ'ব। আজি গুৱাহাটীৰ ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ খেলপথাৰত এই প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উদ্বোধনী খেলখনত এফ চি গ্ৰীণ ভেলী অসম পুলিচৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে চলিত বৰ্ষৰপৰা এই ফুটবল প্ৰতিযোগিতাখন নতুন আৰ্হিত আৰম্ভ কৰা হৈছে। প্ৰথমে সৰ্বমুঠ ৩৫ খন জিলাক সামৰি জিলা পৰ্যায়ৰ খেলসমূহ অনুষ্ঠিত হোৱাৰ পাছত ছটা ক্লাষ্টাৰত পৰৱৰ্তী খেলসমূহ অনুষ্ঠিত হ'ব। নগাঁও জিলা লেগৰ খেলসমূহ জুৰীয়া বজাৰৰ ওচৰৰ খেলপথাৰত অনুষ্ঠিত হ'ব। উদ্বোধনী খেলত অম্লান গোষ্ঠী আৰু নগাঁও টাউন ক্লাব অৱতীৰ্ণ হ'ব। একেদৰে বজালীৰ চৌখুটি, বান্দৰদেৱাৰ হাৰমতি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰ আৰু হাইলাকান্দিৰ নেতাজী সুভাষ চন্দ্ৰ বসু ষ্টেডিয়ামত জিলাভিত্তিক উদ্বোধনী খেলসমূহ অনুষ্ঠিত হ'ব।

০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজত অনুষ্ঠিত ৫ খনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেলত কালি ইংলেণ্ডে ভাৰতক ২৬ ৰানত পৰাস্ত কৰে। ইংলেণ্ডে নিৰ্ধাৰণ কৰি দিয়া ১৭২ ৰানৰ বিজয় লক্ষ্য অনুসৰণ কৰি ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৪৫ ৰানহে কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে ইংলেণ্ডে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ টা উইকেট হেৰুৱাই মুঠ ১৭১ ৰান সংগ্ৰহ কৰিছিল। ইংলেণ্ডৰ হৈ বেন ডাকেটে ২৮ টা বলত ৫১ ৰান আৰু লিয়াম লিভিষ্টনে ২৪টা বলত ৪৩ ৰান সংগ্ৰহ কৰি ইংলেণ্ডক শক্তিশালী স্থিতিত উপনীত কৰোৱায়। ভাৰতৰ হৈ বৰুণ চক্ৰৱৰ্তীয়ে ৫টা উইকেট দখল কৰে।

০০০০০

খাৰঘুলি নিৱাসী, লালসিং একাডেমী হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষয়িত্ৰী, সমাজ সেৱিকা, ৰাজ্যিক বঁটা প্ৰাপ্ত কৃতি শিক্ষয়িত্ৰী ভাৰতী বৰ্মনৰ কালি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৩ বছৰ।

০০০০০

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত আজি বতৰ ফৰকাল থাকিব। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৫ দশমিক ৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ দশমিক ৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

০০০০০

সমাপ্ত